# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-DEC.-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
## Headlines

-------------------

১। ৰাজ্যত অহা ৬ মাহৰ ভিতৰত যোৰহাট-ডিব্ৰুগড় সংযোগী পথৰ মেৰামতিৰ কাম কৰা হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ আশ্বাস।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ তামুলপুৰত ৩৫ হাজাৰ ৪৩ গৰাকী আত্মসহায়ক গোটৰ মহিলাক উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ।

৩। বিগত কেইটামান বছৰত দেশৰ উত্তৰ-পূৰ্বাঞ্চল উন্নয়নৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হোৱা বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

*আৰু*

৪। ৰাজ্যৰ গৃহ বিভাগৰ তিনিটা জেহাদী সংগঠনক নিষিদ্ধ ঘোষণা।

ooooo

ৰাজ্যত অহা ৬ মাহৰ ভিতৰত যোৰহাট-ডিব্ৰুগড় সংযোগী পথৰ মেৰামতিৰ কাম কৰা হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। লোকসভাত আজি শূন্যকালত সাংসদ গৌৰৱ গগৈয়ে সোধা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে সদৰি কৰে। তেওঁ লগতে শিৱসাগৰৰ পৰা ডিব্ৰুগড়লৈ চাৰিটা লেনযুক্ত পথ সম্প্ৰসাৰণৰ কামো শীঘ্ৰে আৰম্ভ হ'ব বুলি উল্লেখ কৰে। পথছোৱা সম্প্ৰসাৰণৰ ক্ষেত্ৰত অনিয়ম হোৱাৰ কথা স্বীকাৰ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট ঠিকাদাৰৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সদনক জানিবলৈ দিয়ে। ইয়াৰ পূৰ্বে গৌৰৱ গগৈয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা ভিডিঅ'ত ঘণ্টাত ১৩০ কিলোমিটাৰ বেগেৰে দেশৰ বাকী অংশত গাড়ী চলাব পৰাৰ প্ৰসংগ উল্লেখ কৰি কয়, যে অসমৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ বাবে ই কেতিয়াও সম্ভৱ নহয়। তেওঁ লগতে কয়, যে ৰাজ্যখনৰ জনসাধাৰণে যথেষ্ট পৰিমাণ টোল কৰ দি অতি বিপদসংকুলভাৱে শোচনীয় পথেৰে যাতায়াত কৰিবলগীয়া হয়। ই কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলি সাংসদগৰাকীয়ে মত প্ৰকাশ কৰে। তেওঁ বিশেষকৈ যোৰহাট-ডিব্ৰুগড় সংযোগী ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ অৱস্থা একেবাৰে শোচনীয় বুলি জানিবলৈ দিয়ে। বিগত বৰ্ষত জাঁজী অংশৰ পথছোৱাৰ কাম কিছু পৰিমাণে আগবাঢ়িল যদিও মৰাণ, ডিমৌ আদি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ অৱস্থা এতিয়াও তথৈবচ বুলি শ্ৰীগগৈয়ে প্ৰকাশ কৰে। তেওঁ লগতে জনস্বাৰ্থজড়িত এই

বিষয়টোৰ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক তৎকালে হস্তক্ষেপ কৰি ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমক জবাবদিহি কৰাৰ উপৰি কঠোৰ নিৰ্দেশ প্ৰদান কৰিবলৈ আহ্বান জনায়।

**ৰাইট (গৌৰৱ গগৈ)**

00000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰত ৩৫ হাজাৰ ৪৩ গৰাকী আত্মসহায়ক গোটৰ মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। জিলাখনৰ পথালিকুছিত এই উপলক্ষে আয়োজিত অনুষ্ঠানত বি টি আৰৰ মুৰববী হাগ্ৰামা মহিলাৰি আৰু বিধান সভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহিলাসকলৰ সবলীকৰণৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ মহিলাসকলক উদ্যমিতা পুঁজিৰ ধনৰাশিৰ সঠিক ব্যৱহাৰ কৰি উপকৃত হ'বলৈ আহ্বান জনায়। এই ধনৰ সদব্যৱহাৰ কৰা মহিলাসকলক পৰবৰ্তী সময়ত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। অনুষ্ঠানত ভাষণ দি বি টি চিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে ৬টা জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰসংগ উল্লেখ কৰি ৰাজ্যত বৰ্তমান জনজাতিৰ স্বীকৃতিপ্ৰাপ্ত যিসমূহ জনগোষ্ঠী আছে তেওঁলোকৰ অধিকাৰ খৰ্ব নোহোৱাকৈ বি টি চি অঞ্চলত থকা কোচ ৰাজবংশী বা আন আদিবাসী লোকসকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰা উচিত বুলি মন্তব্য কৰে।

00000

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা কেইটামান বছৰত উত্তৰ-পূৰ্বাঞ্চল দেশৰ উন্নয়নৰ কেন্দ্ৰবিন্দুৰূপে পৰিগণিত হোৱা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন নীতি আৰু আঁচনি ৰূপায়ণৰ ফলত অঞ্চলটোত যোগাযোগসহ বিভিন্ন ক্ষেত্ৰত দ্ৰুত উন্নয়ন হৈছে। বাণিজ্যিক বিমান বন্দৰৰ সম্প্ৰসাৰণ, ছেমি কণ্ডাক্টৰ, ৰে'লৰে আৰু অন্য খণ্ডসমূহক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰগতিৰ মূল চালিকাশক্তি বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰী সোণোৱালে কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ শান্তি-সম্প্ৰীতিয়ে অঞ্চলটোৰ পূৰ্ণ সম্ভাৱনাৰ সদ ব্যৱহাৰ নিশ্চিত কৰিছে। প্ৰানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলে উল্লেখনীয় ভূমিকা পালন কৰিছে বুলি শ্ৰী সোনোৱালে মন্তব্য কৰে।

***(ৰাইট ঃ সোনোৱাল)***

00000

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ পৰা পোৱা গোপন তথ্য মৰ্মে ৰাজ্যৰ গৃহ বিভাগে তিনিটা জেহাদী সংগঠনক নিষিদ্ধ ঘোষণা কৰিছে। গৃহ বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি জামাত-উল-মুজাহিদিন বাংলাদেশ, আনছাৰুল্লাহ বাংলা টীম আৰু অল কায়দাৰ সৈতে জড়িত আনছাৰ-অল-ইছলাম নামৰ সন্ত্ৰাসবাদী সংগঠনকেইটাক নিষিদ্ধ ঘোষণা কৰা হৈছে। একেদৰে ৰাজ্যৰ ন্যায়িক বিভাগে ২৬ নৱেম্বৰত প্ৰকাশ কৰা অনুসৰি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই এই সংগঠনকেইটাৰ গোপন যোগাযোগক লৈ আপত্তিজনক তথ্য আৰু শুংসূত্ৰ লাভ কৰিছে। এই অনুসৰি সংগঠনকেইটাই কোনোধৰণৰ প্ৰচাৰ মাধ্যমেৰে কৰা প্ৰচাৰ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ৯৮ ধাৰা অনুসৰি অপৰাধ হিচাপে গণ্য কৰা হ'ব।

০০০০০

মহিলাসকলক সমস্যা সমাধানৰ ক্ষেত্ৰত অসম ৰাজ্যিক মহিলা আয়োগক সক্ৰিয় কৰি তোলাৰ লক্ষ্যৰে আয়োগৰ অধ্যক্ষ আঙুৰলতা ডেকাৰ নেতৃত্বত উলিওৱা সজাগতামূলক মটৰ চাইকেল সমদল আজি বৰপেটাত উপস্থিত হয়। দুপৰীয়া দলটো জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পাছত জিলা প্ৰশাসন, আৰক্ষী আৰু জিলা মহিলা আয়োগৰ বিষয়ববীয়াই তেওঁলোকক শুভেচ্ছা জনায়। ইয়াৰ পাছতে অনুষ্ঠিত এখন সভাত বৰপেটা জিলাত মহিলা আয়োগৰ কামকাজ কাজ পৰ্যালোচনা কৰা হয়। তদুপৰি জিলাখনত মহিলাৰ বিৰুদ্ধে অপৰাধ, নিৰ্যাতন আদি ব্যৱস্থা সম্পৰ্কেও পৰ্যালোচনা কৰা হয়। আয়োগৰ অধ্যক্ষ গৰাকীয়ে এই সভাত উন্নয়ন খণ্ড আৰু জিলা পৰ্যায়ত থকা মহিলা কোষসমূহ সক্ৰিয় কৰি মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ গোচৰসমূহ সহজে মিমাংসাৰ বাবে পৰামৰ্শ দিয়ে। মহিলাসকলক সংকটৰ অৱস্থাত সহায় কৰিব পৰাকৈ ১৮১ নম্বৰ আৰু ৯৪৩৫১-৯৬২৬৩ ফোন নম্বৰ মুকলি কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

নগাঁও জিলা প্ৰশাসনে ৰূপহীহাট থানাৰ অন্তৰ্গত ভকতগাঁৱত কাইলৈ উচ্ছেদ অভিযান চলাব। উচ্ছেদ অভিযানৰ বাবে ইতিমধ্যে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। প্ৰশাসনে প্ৰায় ৩৮ বিঘা ভূমিত থকা ৭৫টা পৰিয়ালৰ বাসগৃহত উচ্ছেদ চলাব। জিলা প্ৰশাসনে দখলকাৰীলৈ প্ৰেৰণ কৰা জাননীৰ সময়সীমা কালি উকলি গৈছে। উল্লেখযোগ্য যে দখলকাৰী পৰিয়ালসমূহক ১৫ দিনৰ ভিতৰত দখলীকৃত ভূমি খালী কৰিবলৈ জাননী প্ৰেৰণ কৰা হৈছিল। জাননী পোৱাৰ পাছতে একাংশ পৰিয়ালে সেই ঠাই এৰি আঁতৰি গৈছে। কালি ৰূপহীহাট আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ এটা দলে অঞ্চলটো পৰিদৰ্শন কৰি দখলকাৰী পৰিয়ালসমূহক শীঘ্ৰেই চৰকাৰী ভূমি খালী কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান আৰু সৃষ্টি সম্ভাৰক বিশ্বজনীন কৰাৰ প্ৰয়াসেৰে কালিৰে পৰা ওড়িশাৰ পুৰীত অনুষ্ঠিত পুৰী মহোৎসৱৰ আজি সামৰণি পৰিছে। দুদিনীয়া এই মহোৎসৱত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন, মতবাদ আৰু কৃষ্টি-সংস্কৃতিক বিশ্বৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হয়। আজি অনুষ্ঠিত পালনামত অসমৰ কেইবাটাও দলে অংশগ্ৰহণ কৰে। কালি পুৰীৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণত বৰপেটা সত্ৰৰ চম্পক দাসৰ জাগৰণৰ গীত পৰিৱেশনেৰে মহোৎসৱ শুভাৰম্ভ কৰা হয়। পুৱাৰ প্ৰসংগ সংগীত-নাটক একাডেমী বঁটাপ্ৰাপক ৰাজ্যৰ বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজাই পৰিচালনা কৰে। ইয়াৰ পাছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে মুকলি কৰে। ঔতলা সত্ৰৰ সত্ৰাধিকাৰ বাবুল চন্দ্ৰ ডেকাই মহোৎসৱৰ বাবে পৱিত্ৰ ভাগৱত বহন কৰে। ইয়াৰ পাছতে মুকলি সভা অনুষ্ঠিত হয়। মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে উন্মোচন কৰে।

০০০০০

নামনি অসমৰ ঠাই বিশেষে আজি মহোহো বা মহ খেদা উৎসৱ পালন কৰা হ'ব। আঘোণ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। এই উপলক্ষে গধূলি গাঁৱৰ চেমনীয়াসকলে হাতত লাঠি লৈ চোতালত ঘূৰি ঘূৰি বিভিন্ন প্ৰক্ৰিয়াৰে মহ খেদা গীত গাই গৃহস্থৰ কুশল-মংগল কামনা কৰে আৰু আশীৰ্বাদ দিয়ে। লোকবিশ্বাস মতে মহ খেদাৰ পাছত লাহে লাহে মহবোৰ কমি যায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহোহো উপলক্ষে

জনসাধাৰণক ওলগ জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত সকলোৰে কুশল-মংগল প্ৰাৰ্থনা কৰিছে।

০০০০০

ধুবুৰী ইউকো বেংকৰ গ্ৰামীন স্বনিয়োজন প্ৰতিষ্ঠানৰ উদ্যোগত আজিৰে পৰা ১৪ দিনীয়াকৈ গহণা প্ৰস্তুতকৰণ আৰু ৩১ দিনীয়া  চিলাই প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। প্ৰতিষ্ঠানটোৱে ধুবুৰীৰ কমেও ৬০ গৰাকী মহিলাক বাচনি কৰি এই প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। কেইবাগৰাকীও সমল ব্যক্তিয়ে এই কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰিছে।

০০০০০

সমাপ্ত